230/P

Year of Publication 1953

সৰ্ব্ব বিষৰ মূল মন্ত্ৰ

# বাৰভনী বিষালী

ডিব্ৰুগড় ভট্টাচাৰ্য্য এজেন্সীৰ পৰা
শ্ৰীহৰেন্দ্ৰ নাথ ভট্টাচাৰ্য্য দ্বাৰা
প্ৰকাশিত

[ নতুন সংস্কৰণ ]
১৯৫৩ চন

DIBRUGARH H. S.

বেচ পাঁচ অনা মাত্ৰ

DIBRUGARH H. S. KANOI COLLEGE
LIBRARY
Call Number 230 / B47 BAR
Date
7796

সৰ্ব্ব বিষৰ মূল

# বাৰভনী বিষালী মন্ত্ৰ।

শ্ৰীকৃষ্ণায় নমং, ধন্বন্তৰ্য্যৈনমঃ। চক্ষুৰ হন্তে, কৰ্ণৰ হন্তে, হিয়াৰ হন্তে, মাংসৰ হন্তে তেজৰ হন্তে, হাৰৰ হন্তে, পেটৰ হন্তে, পিঠিৰ হন্তে, নাড়ীৰ হন্তে, কঙ্কালৰ হন্তে, হস্তৰ হন্তে ভৰিৰ হন্তে, এহি বাৰ ভনী মায়া ব্ৰহ্মায়ে স্ৰজিলা। ব্ৰহ্মা বোলে শুনা মায়াগণ মাৰি খালো যমৰ লোকগণ। মায়া ৰূপ ধৰিয়,ওঁ যমৰ নগৰী। হেন শুনি মায়াগণে ব্ৰহ্মাক নমিলা, ত্ৰিদশ দেৱক সবে আশ্বাস কৰিলা। ত্ৰিদশ দেৱতাই বোলে দিলো বৰ। আমাৰ বৰে তোৰা হয়ো অজৰ অমৰ।

আমাৰ সদনে যায়ো যমৰ নগৰী। দেৱ কাৰ্য্য সাধা দেখো বিদ্যমান। যম নগৰৰ লোক মাৰ নিৰন্তৰ। আমাৰ বচনে তোৰা যায়োক সত্বৰ। হেন শুনি মায়াগণে চৰণে নমিলা। যমৰ পুৰত যাই উপগত ভৈলা। বসতি কৰিলা ঘৰ বাৰী ঘাট বাট। মায়া কৰি ৰৈলা যম নৃপতিৰ তাত। সেনা সব মাৰি খাইল তাৰ সীমা নাই। সোঁ ভৰি বাম হাত ভাঙ্গি যম ৰাজাক কৰিলা খোৰাঁ। যমপুৰ বেৰাইলোঁ কিছু বোলন্তা নাই। এবে বাৰ জনী যাওঁ উলটি ভুনাই। বায়ু ৰূপ ধৰিয়া ব্ৰহ্মাৰ পাশে গৈলা। খাইলোঁ যম লোক বুলি ব্ৰহ্মাক জনাইলা। হেন শুনি দেৱৰ মনে ৰঙ্গ ভৈলা। ত্ৰিদশ দেৱক মাতি সবে কথা কৈলা। দিলো বৰ মায়াষণ ত্ৰিদশক মুখ্য কৰি। বায়ু ৰূপধৰি ফুৰা পৃথিৱী নগৰী। মায়াগণে বোলে পিতৃ আমাৰ তুমি হিয়া। তোমাৰ সন্দেশ কিছু দিয়া। হেন শুনি তাসম্বাক ব্ৰহ্মা দেৱে আনি। চৌবিশ তোলা বিষ বাঁটি দিলা বাৰ প্ৰাণী। যোৱা মায়াগণ, পৃথিৱী ওপৰে মায়া কৰি খায়ো গৈয়া চন্দ্ৰ দিবাকৰ। যাৰ মুখে শুনা তোৰ মোৰ গুণ বাণী। এৰিয়া পলাবি তাক মোৰ কথা শুনি। সত্যে সত্যে সত্যে তোৰা এৰি নপলাস। যেবে নপলাস মোৰ মাথাত হাত দেস। পূৰ্ব্ব সত্য এৰি যেবে আনক নযাস।

ত্রিদশ দেৱৰ মাথা তেৰে খাস। তোমাসাৰ সত্য ধৰি আনক নযাস। ত্রিদশ দেৱতাৰ নৰকত পৰ। তোমাৰ চৰণে পিতৃ কৰোঁ নমস্কাৰ। এহি বুলি মায়াগণ গৈলেক উৰাই। ত্রিদশ দেৱতাগণে ৰঙ্গ আছে চাই। হাত বাট নগৰ ফুৰিলা বহু ঠাই। বাৰজনী মায়া সদা ফুৰে ছিদ্র চাই। অন্ধলীয়ে বোলে মই অন্ধ কৰি থাওঁ। কোনে খেদিবাক পাৰে কাকো নাতৰাওঁ। অন্ধলীয়া অম্বিকা, কালী, নিবোধী। এহি তিনি জনী ভনী আমি মায়া কৰি থাওঁ। ব্রহ্মাৰ বচনে পেট পিঠি ভাঙ্গি কুঁজা কৰি থাওঁ, পূজা বলি দিলে থলেও নিয়োঁ তাক। আমাক খেদিবে পাৰে গৈয়া কাৰ বাপ। পিতৃৰ বচন শুনি আমি সবে আছো জানি। সেই কথা নেপাওঁ মানে খেদিব কোন প্রাণী। ইসব কথাক ব্রহ্মা ধ্যান কৰি পাইলা। মায়া কৰি বাটোৱালী যম কাল ভৈলা। বাৰ গোট উশাস ব্রহ্মা অমৃত মুখৰ বাণী। মৰা যেন জীৱে সব বিষ ভৈলা পানী। প্রথমতে খেদোঁ মই নাৰঙ্গী নিশাচৰী। তাইক খেদি একৱাওঁ অন্তক কৰালি। চক্ষু অন্ধলি, দান্ত খাইতী, উশাস নিবোধী, হাত ভৰি কঙ্কাল ভাঙ্গি কৰোঁ ছাৰ খাৰ, বাৰজনী বাটোৱালী লঙ্কাৰ কৰোঁ পাৰ সিদ্ধ গুৰু বোলে ব্রহ্মাৰ ধৰি পাৱ, দেৱে

তত্ত্ব নাজানে ৰাৰভনীৰ স্বভাৱ। কেন মতে তাসম্বাক খেদাইবাক পাৰি। ইহাৰ তত্ত্বক পিতৃ কহিয়ো বিচাৰি। হেন শুনি ব্ৰহ্মা দেৱে বুলিলন্ত ৰাণী। মোৰ হস্তে হৈল ৰাটোৱালী, ৰাৰজনী সৃজিলো মায়া ত্ৰিদশৰ বাক্য পৰি। তাতেসে নাম ভৈলা ৰাটোৱালী। মায়াক পঠাইলো যম লোক নিৰন্তৰ। সিকাৰণে ভৈলা তাৰা অজৰ অমৰ। যোৱা যোৱা সিদ্ধ তুমি শীঘ্ৰ কৰি যোৱা। ৰাৰ জনী মায়া তুমি খেদিয়া পেলোৱা। আমাৰ বচন সিদ্ধ দৃঢ় কৰি ধৰা, খেদা গৈয়া মায়াগণ বিলম্ব নকৰা। ব্ৰহ্মাৰ চৰণে প্ৰণমিলা সিদ্ধ পৰি, খেদিবাক গৈলা বিলম্ব নকৰি। বুলিলো বচন তুমি মাথাকিবা আৰ। আমাৰ মুখৰ গুণ কৰিবা প্ৰচাৰ। ব্ৰহ্মাৰ গুপ্ত কথা হৃদয়ত থই। পৃথিবীক লাগি সিদ্ধে গৈলা ধাই। কোনে কহিবাক পাৰে সিদ্ধেৰ মহিমা। ত্ৰিদশ দেৱে তান পাই আছে সীমা। এৰ এৰ বুলি থঙ্গে সিদ্ধ দিলা ডাক। ৰাৰজনী মায়া আমুকাক এৰি থাক। প্ৰথমতে খেদোঁ মই চক্ষু অন্ধলীক। ব্ৰহ্মাৰ বচনে তই আমুকাৰ চক্ষু হেৰি থাক। হেন শুনি অন্ধলীয়ে চক্ষু মেলি চাইলা। বাপৰ বচন লই কোন জন আইল। এহি বুলি অন্ধলীয়ে গুণে মনে মনে। আৰু কিবা বোলে বুলি কৰ্ণ

পাতি শুনে। ত্রাসে মায়া বোলে আমি জানিলো নিশ্চয়। স্বৰূপতে এই সব বাপৰ কথা হয়। শুনি এৰি পলাই যাওঁ। থানান্তৰ ভৈলা আবে কৈত ঠাই লওঁ। অনেক কাত্তৰ 'কৰে সিদ্ধ পাৱে ধৰি। নেখেদিবা মোক গোসাঞি মই যাওঁ এৰি। সিদ্ধে বোলে পাপিষ্ঠী, মোৰ শুন বাক। এতিক্ষণে যাস কৈক ক্ষণিকো নথাক। মহা ক্রোধে সিদ্ধেৰ কাম্পে গায়। মাৰিলো তাইক বজ্র নখৰ ঘায়। ঘায় পাই অঙ্কলীয়ে নিচাল পৰিল। কতোক্ষণে পৰে তাই চেতন পাইল। দেখে সিদ্ধ গুৰু আগত পৰি আছে। থৰ থৰি কম্পিয়া মুচ্ছা গৈলা পাছে। এহি বুলি অঙ্কলী এৰি গৈলা, পৰেকৰ পাছে দৰিশন ভৈলা। পৰেকৰ বাটৰ পৰা সিদ্ধ ডাক শুনি। এঘাৰ জনী ভনীক জানো মাৰয় সমুলি। অঙ্কলীৰ কথা আবে এহি মানে থওঁ। কালী নিৰোধীক খেদো তাইৰ কথা কওঁ। মাৰোঁ ভুকু চাপৰ বজ্র নখৰ যায়। কালি নিৰোধী ডুবাচাৰী দূৰৈহে যায়। বায়ু ৰূপ ধৰি তই মুণ্ডত ধৰি খাস। ব্রহ্মাৰ শপত যেবে এৰিয়া নযাস। হেন শুনি কালি নিৰোধী গুণে মনে। পিতৃৰ শপত দেই কাণ পাতি শুনে। পাছে কালি নিৰোধী মুণ্ড তুলি চাইলা। সিদ্ধ পুৰুষক আগে

দৰিশন পাইলা। সিদ্ধক দেখি কালী নিৰোধী কান্দিবাক লৈলা। তাহাৰ আগত তাই মৰা যেন ভৈলা। গুৰুৰ চৰণে পৰি কৰন্ত কাতৰ। নামাৰিবা গুৰু বাপ আমি এৰি যাওঁ, গুৰু বোলে দুৰাচাৰী তই যাস এৰি। ধৰি নাথাকিবি পাপিষ্ঠী তই এৰ শীঘ্ৰ কৰি। তোমাৰ বচনে বাপ এৰি গুচি যাওঁ। তোমাক দেখিয়া মই ভয়তে মৰোঁ। স্ত্ৰীজাতি আমি জানা ব্ৰহ্মাৰ জীয়াৰী। ত্ৰিদশ দেৱৰ বৰে আছোঁ মায়া কৰি। ব্ৰহ্মাৰ জীয়াৰী আমি মায়াত পাৰ্গত। পুৰুষৰ ওপৰত নুহিকে শকত। আমি স্ত্ৰী জাতি মায়া কৰি যাওঁ। ত্ৰিদশতো কৰি আমি তোমাক ডৰাওঁ। সিদ্ধে বোলে পাপিষ্ঠী মোহোৰ শুন বাণী। যৈসানি ব্ৰহ্মায়ে স্ৰজিলা প্ৰাণী। ব্ৰহ্মাৰ গৰ্ভত মই আছিলোহোঁ সাক্ষী। বাৰজনী মায়া খেদো মহা মন্ত্ৰ জপি। মনে মনে মহা মন্ত্ৰ ব্ৰহ্মা কহিলন্ত। সেহিকথা পাহৰিলে নপৰে মনত। চাৰিও যুগৰ মন্ত্ৰ ব্ৰহ্মাদেৱে চান্দি। ত্ৰিদশ দেৱক মোৰ মন্ত্ৰে কৰো বন্দী। হাজাৰেক কল্প ব্ৰহ্মা জলত আছিলা। যত দেৱাসুৰ মানে ব্ৰহ্মায়ে স্ৰজিলা। খেদো বাৰজনী মায়া ব্ৰহ্মাৰ বচনে। নথাকিবি নাথাকিবি মই দিলোঁ ডাক। আমুকাৰ অঙ্গ এৰি দূৰ হৈয়া থাক। মহাদেৱ ৰাজা

ভৈলা দেৱৰ ওপৰে। ত্ৰিদশ কোটি দেৱতা নোহে স্বতন্তৰ। যেৱে তই আমুকাৰ সঙ্গ নছাৰস। ৰৌৰবী নৰকত পৰিয়া মৰস। মহাদেৱে পাৰ্ব্বতী আছে ঘেৰি। মহাদেৱৰ মাথা পাতি। ইহাক নাচাড় যেৱে তাত পৰস। মোৰ বচনে আমুকাক এৰিয়া নযাস, ব্ৰহ্মা মহাদেৱৰ মাথা খাস। মোহোৰ বচন যেৱে নকৰস। কোটি কল্পমান নৰকত পৰিয়া থাকস। হেন শুনি কালীনিৰোধী চাৰিলেক পাশ। গুছি যাওঁ, কালীনিৰোধী দূৰ হৈ থাক। মোৰ হাক গুৰুৰ ডাক, খেদিলো কালীনিৰোধী দূৰ হৈ থাক। কালীনিৰোধী কথা এহি মানেথওঁ। বায়ু নিৰোধীক খেদোঁ তাইৰ কথা কওঁ। বায়ু নিৰোধী মায়া গৰ্ভত পশিলা। গৰ্ভত পশিয়া বায়ু নিৰোধ কৰিলা। হেৰা আসি পাইলে মই উলটিয়া যাওঁ। মোহোৰ হাতৰ তই শেন্তৰে নেৰাবি। এহি বুলি আসিয়া মাৰিলেক মুঠি। লৰ দিলে নিৰোধী বায়ু বেগে উঠি। কট কট কৰি সিদ্ধে দান্ত চোবাই চাইলা। কট কট কৰি বাজে যেন তেলীয়াৰ শাল। বায়ু ৰূপে মায়া কৰি জগতকে খাওঁ। কোন বুদ্ধিৰে মই ইহাৰ হাতক এৰাওঁ। পাইলে যেৱে মাৰে মোক হাড় মুৰ খায়। প্ৰাণখানি ৰাখো আৰে কমন উপায়। প্ৰাণ ৰাখা গুৰু বাপ মোক দয়া কৰি। সদাই থাকিবো তোমাৰ

ধুৱাই ভৰি। মোক মাৰিলে বাপ তোমাৰ হৈব কি। তুমি মোৰ বাপ মই ভৈলো জী। হাউৰে পাপিষ্ঠী শুন এক মন কৰি, তোহোৰ কহঁা মই ৰক্ষাৰ কাৰণ। ব্ৰহ্মাৰ গৰ্ভত আছিলো একে ঠাই। সেই গৰ্ভ হন্তে মই আছিলোহেঁ চাই। অনেক লোকৰ তই বিঘিনী আচৰস। পূৰ্ব্বৰ শপত তই কিয় নুশুনস। ব্ৰহ্মাৰ বচন তই কিয় পাশৰস। অনেক লোকক তই মায়া কৰি খাস। আগে আগে আহিলি তই পাছত মই আইলো। ব্ৰহ্মাৰ বচনে মই তোহোক খেদিলোঁ। তই আৰ কাহাত কৰ সাস। খেদো তোক আমুকাক এৰি যাস। গুৰু বাপ তুমি খেদি মোক লাগ পাইলা। বাৰজনী ভনীক জানো তুমি মাৰি খাইলা। দান্তে তৃণ ধৰো তুমি এৰি বোৱা মোক। আমুকাৰ বিষ মানে পানীকৃশ্য হোক। নিষেধিবা যৈকে আমি নাযাওঁ তথা। নধৰিবো কাকো তোমাৰ যৈত শুনু কথা। সত্যে সত্যে গুৰু বাপ এৰি গুচি যাওঁ। চৰণত ধৰি প্ৰাণ খানি ভিক্ষা চাওঁ। গুৰু বোলে তোক মাৰিবাক, দিলো ভাৰ নিৰ্ভয়ে থাকিয়ো তোক ৰাখিলো ইবাৰ। যত জীৱমান সবে বিষ্ণুৰ পালন। ইহাক মায়া কৰি খাস কি কাৰণ। মাৰিবাক মনে ৰঙ্গ কৰিয়া আসিলোঁ। বাপ দায় দিলি তোক তাতেসে এৰিলোঁ।

সত্য সত্য তোক মই খেদিয়া পেলাওঁ। তোৰ উপদ্ৰৱ যেন মই নুশুনোহো। ব্ৰহ্মা মহেশ্বৰৰ আজ্ঞা মানি। খেদিয়া পেলাওঁ বাৰভনী। মোৰ যেবে বাণী নুশুনো। পাৰ্ব্বতীৰ স্তনত কামোৰস। ইহাকো যদি নুশুনস। মহাদেৱৰ শোণিতে ভাত পঞ্চগ্ৰাস খাস। মহামন্ত্ৰ জপি মই তোক দিলো গেৰি। আমুকাৰ অঙ্গক সত্বৰ যাস এৰি। নিবোধীৰ কথা আবে এহি মানে থওঁ। দান্ত খাইতীক দেখোঁ ভাইৰ কথা কওঁ। দান্ত খাইতী বাটোৱালী হাড়ে মূৰে খায়, হাড় মুৰ খাই তাই ভাঙ্গিয়া পলাই। হাড় মুৰ খাই তাই ৰহিল হৰিষ। দান্তৰ বেগত লাগি লৰি গৈলা বিষ। এই মতে জগতকে খায় মায়া কৰি। বিষ লাগি গাৱত সবেও যায় মৰি। সিদ্ধ গুৰুৱে দান্ত খাইতীক লাগ পাইলা। শুন কুলক্ষণী ভৈলো যম কাল। দুৰাচাৰী হৰ নগৰৰ বাজ। এহি বুলি সিদ্ধ গুৰু মন্ত্ৰক উছাৰি। খেদোঁ তোক আমুকাক শীঘ্ৰে যাস এৰি। দান্ত খাইতী বাটোৱালী খেদো দূৰ কৰি, যায়ো যায়ো দুৰাচাৰী শীঘ্ৰে যায়ো লৰি। ব্ৰহ্মাৰ বচনে দান্ত খাইতী বাটোৱালী হৈ যাস দূৰ। নাথাকিবি আমুকাৰ ঘৰ বাৰী সীমাৰ সঞ্চাৰ। গুৰু পিতা গুৰু মাতা গুৰুৰ বচন শিৰোগত কৰি। পিশাচনী দুষাচাৰী খেদোঁ দূৰ কৰি।

ব্ৰহ্মাৰ চক্ৰ দেখি, হৃদি কাম্পে বিষ্ণু কাম্পে নিৰঞ্জন, দেৱগণ, ৰাম লক্ষ্মণ কাম্পে। কাম্পে সীতা দেবী, নাগলোক কাম্প্যে সপ্ত পাতালক ভেদি। পাপিষ্ঠী নকৰ ৰৰাই। তোহোক মাৰিয়া পঠাওঁ যমৰ ঠাই। এহি বুলি সিন্ধে হানিলেক বজ্ৰ মুঠি। দিলেক লৱৰ তাই বোগিয়া পিঠি। মহা মহা ক্ৰোধ কৰি কম্পি সিন্ধে খেদি যাই। লৱৰিয়া ফুৰন্তে ঘাৰ মুণ্ড ভাগি যাই। স্বৰ্গৰ দেৱতা সব সঙ্গে আছে চাই। ভাল কৰি বাটোৱালীক পেলাইলা খেদাই। কালী কাবেৰীকো নকৰিবা ৰক্ষা। আমাৰ বচনে তাইৰ নাক কাণ কাট। আমাক মনুষ্য লোকে অনেক পূজা কৰে। তথাপিতো নেৰে তাই হাড় খাই মাৰে। হেন শুনি গুৰুৱে হাসি তুলিলা। হাতে কটাৰি ধৰি মাতিবাক লৈলা। দান্ত খাউতীয়ে দেখি মৰা যেন ভৈলা। মাতিবাক নপাৰি লৰচৰ কৰে গৰে। হা গুৰু বাপ বুলি সঘনে মাতয়। তোমাৰ চৰণে ধৰোঁ মোক এৰি যাৱ। "হৰ বিষ হৰ সকলো বাটোৱালী পানীকৃত্য কৰ।" পুৰুষ স্ত্ৰীক মই কাহাকো নধৰোঁ। এহি কথা এৰোঁ যেবে ব্ৰহ্মাৰ মাথা খাওঁ তেবে। কুলক্ষণী নামে মোৰ আছিলেক আই। তাই মৰিলতে ব্ৰহ্মাতে লৈলো ঠাই। ত্ৰিদশ দেৱৰ বাক্যে মোক সৃষ্টি কৰে। দিলে লৈলো বৰ অজৰ

অমৰ। ব্রহ্মা বোলে মায়া যমপুৰে যাস। সকল শত্রুক বিনাশ কৰস। গুৰু বাপ তোমাত কওঁ তত্ব। এৰি যাওঁ বাপ মই তোমাৰ আগত। গুৰু বাপ তযু পাৱে মাগো এহি দান। তোমাৰ প্রসাদে আবে ৰাখি যাওঁ প্রাণ। তোমাৰ যশস্যা ত্রিদশ দেৱতাই কইলে। সর্ব্বলোকে হাসিবে তিৰী বধ ভৈলে। শুনি আছো সন্ত মহন্ত বুলি। কেন মতে তিৰী বধ কৰিবা আপুনি। গুৰু বোলে পাপিষ্ঠী অন্যায় কৰিলি। মনুষ্য গুৰুক জপাই খাইলি। ভাল মন্দ নাবাছিলি। ছিদ্র পাইলি যাকে, তাকে ভুঞ্জাইলি সিকাৰ মোহোৰ বচনে এবে দূৰ হই থাক। নিদ্রাৱলী আই তোৰ নাই ঘৰ বাৰী। সিকাৰণে ৰাতি তই লোকক খাস মাৰি। লোকৰ শৰীৰ তই পৰশ কেন কৰি। বজ্র নখৰ ঘাৱ মাৰো প্রাণে যাস মৰি। মাৰি পেলাইবো নথাকিবি আৰ। অনেক লোকৰ মই সাধো উপকাৰ। কৈলাস ছাড়ি মহাদেৱ নৰলোক চাহিবাক আইলা। ব্যাধি দেখি দুঃখ পাইলা। পাপিষ্ঠী তোৰ মুখক নেচাই। পালটি কৈলাসে গৈলা দিগম্বৰ বাই। নৰৰ আগত তই বায়ু ৰূপ ধৰ। আজি কেন মতে মোৰ হাতক এৰাস। তোহোক মাৰিয়া যম দুৱাৰে পঠাওঁ। কর্ণে নুশুনো ঘেন মই তোৰ নাওঁ। শিলা হানি তোৰ মুণ্ড

খুঙিয়া পেলাওঁ। হাত মুৰ ভাঙ্গি মই তোৰ মান লওঁ। আন আন বুলি সিদ্ধ বোলে বাণী। খাণ্ডা কম্বে ধৰি তোৰ জিহ্বা কাটো টানি। খাণ্ডা আনিবে দেখি ধাতু উৰি গৈলা। পৃথিৱীত পৰি ভাই মূৰ্চ্ছাগত ভৈলা। বাপ গুৰু কিনো নিদাৰুণ তুমি। এহি বুলি পিশাচিনী কান্দে কুৰ্ম্মা কুৰ্ম্মি। হাঁ ব্ৰহ্মা গুৰু বাপ কি ভৈলা ললাট। লোকৰ হাতত মৰোঁ নাৰাখা কিসক। মৰি যাওঁ হেৰা কোনো ৰাখন্তাও নাই। এহি বুলি কুৰ্ম্মা কুৰ্ম্মি কান্দে সিদ্ধৰ মুখ চাই। এৰা এৰা বাপ মই সত্য কথা কওঁ। অমুকাৰ অঙ্গ এৰি এখনে পলাওঁ। যত্তেক লাগয় মানে কৰি লটি ঘটি। যমৰ পুৰৰ হাতে আসিলে উলটি। তোমাৰ হাতত মই ৰাখি যাওঁ প্ৰাণ। যাওঁ এতিক্ষণে বাপ দিয়া প্ৰাণ দান। হেন শুনি সিদ্ধ গুৰু কিছু শান্ত ভৈলা। দেখিয়াছে বাটোৱালী যাইতে সাজু ভৈলা। সিদ্ধে বোলে ডুৰাচাৰী মোৰ শুন বাণী। অমুকাক এৰি যাস মোৰ আজ্ঞা মানি; মোৰ মন্ত্ৰ গুণ যিটো জনে স্মৰয়। তাৰ পাশ নচাপিবি জানিবি নিশ্চয়। যাস যাস ডুৰাচাৰী এৰি গুচি যাস। অমুকাৰ অঙ্গ এৰি এখনে পলাস। বাপ দাই দিলি তাতে নামাৰিলো তোক, যাস শীঘ্ৰে বোগী

এতিক্ষণে ভাল হোক। হেন শুনি বাটোৱালী এৰি গুচি গৈলা। সিদ্ধৰ বচনে আবে জগতত বৈলা। যা যা বুলি সিদ্ধ গুৰু দিলে ডাক। দান্তখাতী বাটোৱালী দুৰ হৈ থাক। দান্ত খাইতী বাটোৱালী দূৰ কৰি থওঁ। আবে হিয়া খাইতী বাটোৱালীৰ কথা কওঁ। হুং হুংকাৰ ব্ৰহ্ম হুংকাৰ, নাহিৰি আমুকাৰ ঘৰ বাৰী সীমা সঞ্চাৰ। কামুৰি কামুৰি হিয়াত খায়। হিয়াৰ বিষত ধাতু উৰাই। এদিন দুদিন খায়, হিয়াৰ এৰি যায়। বাহুৰি বাহুৰি আহি হিয়াক খাই। একামোৰ দুকামোৰ কৰি আতি। হিয়াৰ বিষত নজানয় দিন ৰাতি। যেন একজনে বোলে ঘিউ পাইলে জীউ দৰিদ্ৰ জনে বোলে পানী পাইলে পিওঁ। এহিমতে বাটোৱালী খাই মাৰে তাক। নাজানিয়া একোজনে মায়াৰ চেষ্টাক। গুৰুৰ বচনে মই খেদোঁ দূৰ কৰি। ইহাৰ অঙ্গক তই শীঘ্ৰে যাস এৰি। আলাসন্তে থাকোঁ মই আলাসতে থাওঁ। আলাসতে থাকি মই গুৰুক ধিয়াওঁ। ধিয়ান্তে ধিয়ান্তে গুৰু তুষ্ট ভৈলা। মহামন্ত্ৰ গুৰু উৎপতি কৈলা। গুৰুক বচন হৃদয়ত ধৰি। খেদো দেৱাসুৰ বিষ বিষালী দূৰ কৰি। হিয়া খাইতী বাটোৱালী লোকক খাস মাৰি। সিকাৰণে তোক খেদো হোঙ্কাৰি। গুৰুৰ বচনে মই খেদো দূৰ কৰি। এৰি

আমুকাৰ অঙ্গ যাস আজি ধৰি। হাত তালি দিয়া বোলে দূৰ হৈ থাক। ব্ৰহ্মাৰ শপত যেবে নেৰস ইহাক। গুৰু বাক্য শিৰে ধৰি তোহোক খেদাওঁ। হয় নোহে পূৰ্ব্ব কথা মনে গুণি চাওঁ। শুন হেৰ হিয়া খাইতী কৰি এক মন। নিশ্চয়ে জানিবি ইটো ব্ৰহ্মাৰ বচন। ব্ৰহ্মাৰ মুখৰ কথা কওঁ মই শুন। দেৱতা সৱক খেদো দূৰকৰি। হেন মহা মন্ত্ৰক বচনে উচ্চাৰি। হিয়া খাইতী বাটোৱালী খেদো দূৰকৰি। মোৰ হাক গুৰুৰ ডাক। হিয়া খাইতী বাটোৱালী আমুকাৰ অঙ্গ এৰি দূৰ হৈ থাক। ত্ৰিদশ কোটি দেৱতা সবেও হইবা সাক্ষী। হিয়া খাইতী বাটোৱালীক দেশৰ খেদো ডাকি। যাও যাও বাটোৱালী হাতত মাৰো তালি। চলি যাও বাটোৱালী সপত পাতালি। এহি বুলি সিদ্ধ গুৰু মাতে কোপ কৰি। বাৰজনী বাটোৱালী কম্পে থৰ থৰি। বাৰজনী বাটোৱালী আমাৰ নাই ঠাই। এৰি গুছি যাওঁ, আমি লোকক নেখাই এহি বুলি বাটোৱালী এৰি গুছি গইলা। আমুকাৰ অঙ্গৰ বিষ সবে ভাল ভৈলা, ৰোগিয়াক বাটোৱালী ফিৰি চাই যাই। দেখি সিদ্ধ গুৰু পাছে শীঘ্ৰে গৈলা ধাই। পাপিষ্ঠী উলটি কেনে চাসস ফুনাই। মোহোৰ কথাত তোৰ কিছু ভয় নাই। যাক হাক দিওঁ তই তাকেসে খাৱস।

DIBRUGARH H. S. ... LIBRARY ৭৭৯৮

পাপ পুণ্য নাচাহস। সবাকে খাস মাৰি। ৰাক্ষসী পাপিষ্ঠী দুৰাচাৰী। কোনোবা পাপৰ ফলে ভৈলি অৱতাৰ। ধৰ্ম্ম অধৰ্ম্ম নাজানিলি কৰ চিন্তমাৰ। এবে পিশাচী তোক মাৰিয়া পেলাওঁ তোহোক মাৰিয়া যম নগৰে পঠাওঁ। এহি বুলি সিঙ্কে মাৰিবাক ধাইলা। হেন দেখি বাটোৱাণী কাম্পে থৰ থৰি। কাউ বাউ কৰি বোলে দান্তে খেৰ ধৰি। তোমাৰ প্ৰসাদে মই প্ৰাণ ৰক্ষা কৰোঁ। তিৰি বধ নলইবা ধৰ্ম্ম পথ চাই। তোমাৰ হাতৰ বাপ যাওঁহে এড়াই। হেন দেখি গুৰু বোলে শুন দুৰাচাৰী। তোহোক খেদাওঁ ব্ৰহ্মাৰ বাক্যত থাকি। যত দেখা চৰাচৰ ব্ৰহ্মাৰ সৃজনা। কাক কেহোঁ হিংসা কৰি নমাৰয়। তই হিংসা কৰি জগতকে মাৰি খাইলি। সিকাৰণে কুলক্ষণী নৰকে পৰিলি। ব্ৰহ্মায়ে সৃজিলা তোৰ সবে বাৰজনী। ত্ৰিদশে দিলন্ত নাম তোৰাক বিষালি। ত্ৰিদশ দেৱতা তোমাসাৰ বোলে ভাল। অনেক লোকৰ তোৰা ভৈলি যমকাল। সিকাৰণে ব্ৰহ্মাদেৱে পঠাইলে আমাক। মাৰি পঠাওঁ তোক আৰে যৰে দিলে ডাক। খেদিয়া পেলাওঁ তোক চন্দ্ৰ দিবাকৰ। শীঘ্ৰে এৰি যাস তই ইহাৰ অঙ্গৰ। যা যা দুৰাচাৰী ঝান্ত কৰি যাস। খনিতেক থাক যদি ব্ৰহ্মাৰ মাথা খাস। ইন্দ্ৰ বায়ু বৰুণ

কুবেৰ হৈবা সাক্ষী। বাটোৱালীক খেদো ব্ৰহ্মাৰ বাক্যত থাকি সিদ্ধ গুৰুৰ বচনক শিৰে ধৰি। বাটোৱালী খেদি মই বিষক কৰোঁ পানী। সিদ্ধ গুৰুৰ বচন নকৰা হেয় জানি। বাটোৱালীক খেদি মই বিষক কৰোঁ পানী। গুৰুত সত্য বচন দাত্তি, খেদো বাটোৱালীক সহস্ৰ মন্ত্ৰে কাটি। হিয়া খাইতী বাটোৱালীক খেদিয়া পেলাওঁ। আমুকাৰ অঙ্গ জুৰ কৰি থওঁ। খেদোতাইক দেশৰ ডকাই। আৰু যত দেৱ খেদো লেখা জোখা নাই। গুচাইলো দৈত্য দানৱ ভূত পিশাঁচক। খেদো আমুকাক বনবাসী। বনচাৰী, বনচন্দ্ৰিকা কালিকা সবাক। খেদিলো আমুকাক যাস এড়ি। নাৰালী বিষালী, একাঙ্গী, কাছকামুৰি, হাৰকালী, কালী, বিয়াবাৰী পানী মঙ্গলী, শ্মশানশালী, চেঙা, চেঙেলিয়া, বিষ, বিষালী, ইসৰ প্ৰমুখ্যে বাটোৱালীক চাড় ছাড় ছাড়ি যাস আমুকাৰ গাত। হিয়া খাইতী বাটোৱালীৰ কথা এহি মানে থওঁ। বাহু খাইতী বাটোৱালীক খেদো তাইৰ কথা কওঁ। হুং হুং হুং কাৰ ব্ৰহ্মাৰ, নাহিবি নাহিবি আমুকাৰ ঘৰ বাৰী সীমাৰ সঞ্চাৰ। বাহু খাইতী বাটোৱালীক বাহু জোৰ ভাঙ্গে। যোৰায়ে যোৰায়ে ভাঙ্গে কৰে বিন্ধাবিন্ধি। হাত ভৰি কঁকাল ভাঙ্গি কৰে বেকা। এহি মতে বাৰে জনী বাৰ অঙ্গ খায়।

মন্ত্র শুনি খাইতী সবে গুছি যায়। যেতিক্ষণে বাটোৱালী এৰি গুচি গৈলা। আমুকাৰ বিষমানে পানী হন ভৈলা। ব্ৰহ্মাৰ কৃপায়ে মই মায়া অন্তকাৰী। তাতেসে বাটোৱালীক খেদো দূৰ কৰি। ব্ৰহ্মাৰ মুখৰ বাণী কোনে পাই অন্ত। তান বাক্যে খেদো মায়া দিগ দিগন্তৰ। মই ব্ৰহ্মা সিদ্ধ এবে তই দেহা। যত দৱ খেদো তাৰ কোনে পাই লেখা। ইন্দ্ৰ, চন্দ্ৰ, কুবেৰ, বৰুণ, বায়ু বহ্নি প্ৰজাপতি। পাৰ্ব্বতী আৰু স্বৰ্গৰ অপেশ্বৰী। সকল আমুকাৰ কাল মৃত্যু প্ৰায় ব্ৰহ্মা বিষ্ণু মহেশ্বৰ বাক্যে শিৰে ধৰি ইসবাক খেদিয়া পেলাওঁ। সিদ্ধ গুৰুৰ বচনে মই তোহোক খেদিলো। মোহোৰ হাতৰ তই নেবাইবি হৈবাৰ। দেখিলো দুৰাচাৰী লঙ্কাৰ হব পাৰ। ৰাম লক্ষ্মণ বসুমতী, আই। বুলি, বাহু খাইতী কান্দে দেশৰ ডেকাই। কোন পুৰে যাইবো আবে কৈত লইবো ঠাই। এহি বুলি বাহু খাইতী কান্দে বিনাই বিনাই। বাৰজনী ভনী আবে এৰি গুছি যাওঁ। গুৰুক নেদেখো যৈত তৈত ঠাই লওঁ। সিদ্ধ গুৰু তুমি আমাৰ যমকাল। ব্ৰাহ্মা বাক্য শুনাই আমাক খেদা সৰ্ব্বকাল। তোমাৰ আমাৰ কিছু মিত্ৰায়তী নাই। কৰে লটি ঘটি যেন শত্ৰুগণে পাই।

হা গুৰু বাপ, মই এৰি গুছি যাওঁ। ৰোগীক এৰিয়া আন স্থানে ঠাই লওঁ। হেন শুনি গুৰুৱে কৰে অঙ্গীকাৰ। কইতো ঠাই নলৈবি লঙ্কাৰ হৈবি পাৰ। সকল মনুষ্য জানিবি আমাৰ, তামম্বাক মাৰি খাই কৰ চাড়খাৰ, এতেকে সৰ্ব্বকালে ভৈলো তোৰ বৈৰী। ব্ৰহ্মাৰ বচনে লই খেদো দূৰ কৰি। যৈসানি দশ দেৱৰ বৰ পাইলি। অনেক লোকক তই মাৰি মাৰি খাইলি। এতেকতে ব্ৰহ্মাদেৱে পঠাইলে আমাক। ব্ৰহ্মাৰ আজ্ঞায়ে খেদি পেলাওঁ তোক। বিষৰ জ্বালাত লোক ব্যাকুলিত আতি। কৰে চটফট নজানয় দিন ৰাতি। আটাস পিটাস পাৰে বিষৰ জ্বালা লাগি, শুনি সিদ্ধ গুৰু খেদি গৈলা মহাবাগী। দুই চক্ষু ঢেলা কৰি পাছে তাই চাই। বায়ুৰ লগতে গুৰু পশিলন্ত যাই। কাটো কাটো বোলে তাইৰ চুলি মুঠি ধৰি। কম্পিত লাগিলা তাই ভয়ে থৰ থৰি। মহাভয়ে পিশাচীৰ ধাতু উৰি গৈল। সিদ্ধৰ চৰণে পৰি কাকুতি কৰিল। পাই আছোঁ দুৰাচাৰী। তোহোক মাৰো চাপৰ ধৰি। হাতৰ এৰাইবে তাই কৰে কাউ বাউ। এৰা গুৰু বাপ লঙ্কাৰ পাৰ হওঁ। কোন পুৰে যাইবে আৰে হাতক এৰাই। শুনি বাৰভনী

বিষে নাপায় উপায়। বোলে বৰ বৰ লোক ধৰি ধৰি খাওঁ। ব্ৰহ্মাৰ আগত দুঃখ কাহিনী জনাওঁ। হে পিতৃ দয়া কৰি স্ৰজিলা আমাক। পাছতে শত্ৰু পঠাইলাহা মাৰিবাক যৈকে যাওঁ তৈকে সিদ্ধে খেদিবাক যাই। শুনা শুনা পিতৃ কহোঁ আমাৰ বিলাই। এহি কথা বুলিবাক বাৰভনী ব্ৰহ্মাৰ পশে গৈলা। আমুকাৰ গায়ত বিষ পানী কৃত্য ভৈলা। হৰ বিষ হৰ, বাৰভনী বিষালি পানীকৃত্য পৰ। তাত পাছে সিদ্ধ মাংস খাইতীক খেদি পাইলা। দেখি তাইক মহা কোপে গৰ্জ্জিবাক লৈলা। ব্ৰহ্মাৰ গুপুত কথা সবে তাইক কৈলা। মহামন্ত্ৰ কথা শুনি তাইয়ো গুচি গইলা। সিদ্ধ গুৰুৰ বচনক মই শিৰে ধৰি। বাৰভনী মায়া দূৰতে দূৰ কৰি। যাইবাক উঠিল সবে পূৰ্ব্ব সত্য ৰাখি। খেদো বাৰ ভনী লোকৰ পৰা ডাকি। হে গুৰু বাপ, আমাসাক ক্ষেমা তুমি। বাৰজনী ভনী লাগে চলি যাওঁ আমি। এই বুলি মাংস খাইতী এৰি গুছি গৈল। আমুকাৰ গায়ৰ বিষ পানীকৃত্য ভৈল। হৰ বিষ হৰ আমুকাৰ গায়ৰ বিষ পানীকৃত্য হই পৰ। বিষালীয়ে বোলে লোক মাৰো ধৰি। একৰ মাংসক খাওঁ একক খাওঁ এৰি। সিদ্ধে বোলে ৰোগী এৰি নযায়স যেৰে। ব্ৰহ্মাৰ

চক্রত পৰি মৰিবি ভেবে। ব্ৰহ্মাৰ বাব্যত মাৰো বাটোৱালী। তেজ খাইতী, জিহ্বা কাটো টানি টানি। জিহ্বা কাটি বুলি হাঁসিবেক দেৱগণ। মনুষ্য মাংসক যেন নকৰ ভোজন। কত জন্ম পৰে লোকে মনুষ্য জন্ম পায়। কি কাৰণে মনুষ্য মাৰি মাৰি খায়। অভাগিনী কুলক্ষণী দুৰাচাৰী। মূৰ্ত্তি ধৰি অনেক লোকক ফুৰ মাৰি। চল চাই চাই বিঘিনী আচৰে। যিমতে ছিদ্ৰ পাই সেই মতে মাৰে। এইৰ অপকাৰ জগতে নসহে। সিকাৰণে এই মোৰ ভৈলা দ্ৰোহী। কোন জনে মোক মন্দ বুলিবাক পাৰে। তিৰী বধি বুলি মোক দুষিব নোৱাৰে। সকল লোক এই বাৰ ভনীয়ে খায়। তোমাৰ মিত্ৰ নাই সহেও শত্ৰু হয়। ববযোৰে বাংভনী বুলিলা সিদ্ধক। বত কদৰ্থনা গুৰু কৰা আমাসাক। নিদিবা আমাক আৰে বাপৰ সপত। মন্ত্ৰ শুনি নেথাকিবা কাহাৰো ঘৰত। অনেক দেৱতাই বাপক মান্য কৰে। মানিয়ো নেমানা তুমি যেন মূঢ় নৰে। আমি দুৰা-চাৰীযে বাপক পৰাও গালি। আমাৰ কাৰ্য্যক সবে বোলয় দুষ্টালি। যক্ষ ৰক্ষ পিশাচেও বাপক মান্য কৰে। হেন বাপে গালি খায় নসহে অন্তৰে। বিষ্ণু বিনে ব্ৰহ্মা দেৱতাৰ দেৱ। থাকা গুৰু বাপ আমি এৰি গুছি যাওঁ। এহি শুনি গুৰুৱে হাসি তুলিলা। দুৰাচাৰী ছাড় আমুকাৰ

গাৱ। এহি বুলি গুৰু ৰহিলেক দৃঢ় কৰি। পলাই ৰাৱণী মাটিত নিদি ভৰি। আসি জানো আমাক গুৰুৱে লগ পাই। মহাভয়ে যাই তাৰা উলটিয়া চাই। কিল ভুকু সিদ্ধে মাৰিবাক যাই। মহা ভয়ে ৰাটোৱালী দূৰক পলাই। গলে মুণ্ডে হাতে চাণ্ডি নাগ পাশে বান্ধো। বজ্র নখে হিয়াক চিৰিয়া পেলাওঁ। খেদো দুৰাচাৰী এৰি গুচি যাস। পূৰ্ব্ব-কালত পাসৰিলি বজ্র নখৰ ঘাৱ। ব্ৰহ্মাৰ ব্ৰহ্মাস্ত্ৰক হানি মাৰোঁ তোমাসাক মাৰোঁ সপ্ত শৰ এৰি গুচি যাস। ব্ৰহ্মাৰ শৰে সবে জগতকে দংশে শৰৰ হন্তে সেস্থৰে নেৰাই। অনেক কাকূতি কৰি গুৰুক আনো। গুৰুৰ কৃপাত মই ব্ৰহ্মাৰ অস্ত্ৰ পাইলো। হেন সব শৰ গৰ্ভতে দিলো ঠাই। গুপ্ত মন্ত্ৰ শুনি মায়া গৈলেক বজাই। চৈধ্য তাল ভেদি তাহাক পঠাওঁ খেদি। শৰৰ আগে গুপ্ত মহামন্ত্ৰ জপি। মাৰোঁ মাৰোঁ মাৰোঁ হেৰা ব্ৰহ্মাৰ শৰ। এৰি জাণ্ট কৰি আমুকাৰ গাৱ। মাৰো ব্ৰহ্মাৰ শৰ খেদিয়া ধৰি। যাৰ গাৱে ভাপ লাগে সেই যাই মৰি। হেন শুনি নাৰায়ণী দিলন্ত উত্তৰ। শুনি আছো শৰদ ব্ৰহ্মাৰ শৰৰ। যৈসানি দেৱে দৈত্য কন্দল কৰিলা। সৱ শৰে ব্ৰহ্মাস্ত্ৰত শৰণ পশিলা। ব্ৰহ্মাৰ

শৰৰ জ্বালে লক্ষ দৈত্য মৰে। কোন অস্ত্ৰ নাই তাক নিবাৰণ কৰে। সি সময়ে মই জগত বেৰাইলো, ব্ৰহ্মাস্ত্ৰক বাৰণ কৰিবে নপাৰিলো। সেই শৰ হানো আৰে মই তোমাসাক। যৃত অগ্নি শিখা বাহিৰাই, ঝাকে ঝাকে এই শৰ মাৰিলে প্ৰাণ যাইবি মৰি। গুৰু বোলে নেথাকিবি বৈ দুৰাচাৰী। ইহাৰ অঙ্গৰ হন্তে শীঘ্ৰ গুছি যাস। নুশুনিলে ব্ৰহ্মাৰ শৰত পৰশ। দুঃখ পাইলো বৰ কিন্তু তোহোক খেদন্তে। বৰ ভয় ভয় মনে মন্ত্ৰক শুনন্তে। কোনো লোক গাৱে নুঠিবি দুৰাচাৰী। ব্ৰহ্মাৰ মূৰতি যেন দেখিবি নৰনাৰী। ব্ৰহ্মাৰ চাৰি মুখৰ মন্ত্ৰ শুনিবি যিঠাই। তাৰ ঘৰ বাৰী এৰি পলাইবি নিশ্চই। মোক চাই দেৱ আছে সব আকাশত। আদি অন্ত কথা কহো দেৱ সমাজত। অনেক পুণ্য কৰি দেৱ লোকে যাই। আগত ঠেকিলো মই শাৰ্দ্দুল পৰাই। কালান্তক ৰুদ্ৰ মই সেই সময়ত। কোনে ঠিয় হইতে পাৰে মোহোৰ আগত। মায়া বোলে, হে আমাক কৃপা কৰি। জীৱন ধৰিয়া থাকোঁ দেশৰ আঁতৰি। আমি গুছি যাওঁ বাপৰ সত্য মানি। আমুকাৰ গাৱত বিষ সৱে হোক পানী। হৰ বিষ হৰ, আমুকাৰ গাৱৰ বিষ পানী হৈ পৰ। নাৰায়ণী বাটোৱালী দূৰ কৰি থওঁ। হাড় খাইতী বাটোৱালীকো

খেদাওঁ। হুং হুংকাৰ ব্ৰহ্মাৰ, নাহিবি আমুকাৰ ঘৰ বাৰী সীমাৰ সঞ্চাৰ। হৰ বিষ হৰ বাৰভনী বিষালী পানী কৃত্য পৰ। ছাড়-ছ ড় বাটোৱালী হাড় এৰি যা, আমুকাৰ হাড়ৰ মাংস তেজৰ পৰা ছাড়। বাটে বাটে ফুৰন্তে ধৰিলি হাতে গলে। সিদ্ধ গুৰুৰ বচনে তোক খেদোঁ অৱহেলে। হাড় ছাল মাংস সবে জুৰাই থওঁ, গুৰু কহিবাৰ মন্ত্ৰ শুন মই কওঁ। বাৰভনী বাটোৱালা খেদিয়া পেলাওঁ। হুং হুঙ্কাৰ ব্ৰহ্মা হুঙ্কাৰ। নাহিবি ৰোগীৰ ঘৰ বাৰী সীমাৰ সঞ্চাৰ। মন্ত্ৰ সৰ্ব্ব দেৱৰ পাছতে আছে ৰই। সিদ্ধ মুনি বিদ্যাধৰে তুতি কৰিলেক গই। ওপৰে সূৰ্য্য কাম্পে ধৰথৰি লক্ষ কোটী অন্তৰে সূৰ্য্য কাম্পে ডৰি। চাৰি দিকে বেৰি আছে সিদ্ধৰূপ ধৰি। দেখি বাৰভনী, পলাই ভয়তে লৰৰি॥ সিদ্ধ গুৰুৱে কহিলা মন্ত্ৰ সবে, ইহাৰ হাতত প্ৰাণ আমাৰ যাইবে। বাৰ চণ্ডালীয়ে বোলে আহা আমি যাওঁ। মাৰিবেক আমাসাক কেনে ৰক্ষা পাওঁ। কোন ঠাই আছে আমি কৈক পলাই যাওঁ। যৈকে যাওঁ তাতে আৰ হাতৰ প্ৰাণে নেৰাওঁ। এহি আলচিয়া বাৰভনী গুচি সইলা। আমুকাৰ বিষমানে পানী কৃত্য ভৈলা। বাৰজনী বাটোৱালী কোন স্থানে যাওঁ। ইহাৰ হাতক আমি কি মতে এৰাওঁ। সিদ্ধ গুৰুৰ কথা যেহিখানে আছে

শুনি। এৰি গুছি যাওঁ আমি ব্ৰহ্মাৰ কথা মানি। সকল জগতে সিদ্ধ বাপক মান্য কৰে। বাপৰ কথা শুনি হিয়া কাম্পে ডৰে। এৰিবো এৰিবো নিষ্টে নধৰিবা দুনাই। তোমাৰ বচনে আমি যাওঁ আন ঠাই। আমাক লাগিয়া গুৰু দয়া উপজিলা। সকল গুপ্ত কথা শুনাই কহিলা। হৃদয়ত আছে চৌদ্ধ জন সাক্ষী। সিকাৰণে সিদ্ধে মোক কৈলা সত্য ৰাখি। এতেকতে আমি যাওঁ আপুনি। এৰি গুৰুৰ বচনে থাকো দূৰে বাস কৰি। বাটোৱালী বোলে দুঃখ মিলিল আমাৰ। এৰোঁ বাসা আমি সবে আমুকাৰ গাৰ। আমি তিৰি জাতি ব্ৰহ্মাৰ জীয়াৰী। ব্ৰহ্মাৰ বাক্য পালি বোগী যাওঁ এৰি। সিদ্ধ বাক্য নমানিলে কোনে ৰক্ষা কৰে। সবে দেৱগণে সিদ্ধক মান্য কৰে। ইন্দ্ৰ কুবেৰ আৰু বৰ বৰ দেৱ। ব্ৰহ্মাৰ পায়ে ধৰি সবে কৰে সেৱ। সৰস্বতী মাৱ বসুমতী আই। ইসবে খাটে ব্ৰহ্মাৰ ঠাই। আমি-কোন দুৰাচাৰী কিছু নজনাওঁ। বোগী সঙ্গ এৰি আবে সবে গুছি যাওঁ। নৰাটিবা গুৰু বাপ নামাৰা আমাক। এৰিলো এৰিলো হেৰা তযু বোগীয়াক। গুৰু বোলে দুৰাচাৰী মোৰ শুন ডাক ব্ৰহ্মাৰ আদেশে মই খেদোঁ তোমাসাক। এৰি নপলায় যেবে দেৱগণ। দেৱগণো চলি গৈলা ব্ৰহ্মা বাক্য ৰাখি।

হৰ বিষ হৰ, বাৰভনী বিষালী পানী কৃত্যপৰ। মাংস খাইতী বাটোৱালী খেদি দূৰ কৈলো। নাৰী খাইতী বাটোৱালীক খেদিয়া পেলাওঁ। বত্রিশ নাৰীৰ হন্তে বিচাৰি আনিলো। নাৰী খাইতীৰ নাম থৈলা ব্ৰহ্মায়ে নাৰাথি। ব্ৰহ্মাৰ জীয়াৰী সুবৰ্ণ পুৰে যাস। ৰথ নাই মই কেন মতে যাওঁ। বিধাতাৰ কটাক্ষতে বায়ু ৰথ ভৈলা। তাতে চৰি নাৰী খাইতী সুবৰ্ণ পুৰে গইলা। ব্ৰহ্মাৰ অঙ্গৰ হন্তে আসিলা চাড়ি মায়া আমুকাৰ অঙ্গ এৰি স্থানান্তৰে যোৱা। যাস যাস নাৰী খাইতী বিলম্ব নকৰ। আমুকাৰ বিষমানে পানীকৃত্য কৰ, বাৰজনী মায়া খেদো বলে ব্ৰহ্মাস্ত্ৰ। বাৰজনী মায়া তোৰা চলিয়ো সত্বৰ। নাযাস যেবে ব্ৰহ্মাৰ মাথ খাস তেবে, আমুকাৰ অঙ্গক এৰ সত্যে সত্যে গুৰু বাপ ৰোগীক যাওঁ এৰি। নাৰী খাইতী বুলি নিন্দা কৰে দেৱগণ। তুমিও দিয়াছা গালি মোক ঘনে ঘনে। এতেকতে নাৰী এৰি দিলো গুৰু বাপ। যমকালে যেন মোক দিলা হৃদি তাপ। তোমাৰ নাম যি জনে কহে। কখনো তাত বাৰভনী নৰহে। আমাক পুৰ্ব্বে বৰ দিলা দেৱগণ। ব্ৰহ্মাৰো বাক্য শুনি আছিল তখন। কশ্যপ অদিতি দেৱ দৈত্যৰ পিতা মাতা

উপৰ জন্মৰ আমি আৰো জানো কথা। দেৱতা ব্ৰহ্মাৰ আজ্ঞা আমি শিৰে ধৰি। ৰোগীৰ দেহত ভোগ ফুৰো কৰি কৰি। তাসম্বাৰ মন তুষ্টি কৰিবাক মনে। যাওঁ ৰোগীয়াক এৰি আমি এতিক্ষণে। এহি মতে চাৰি পাঞ্চ কথা ভৈল তাই। এহিমতে খেদো তাইৰ মুখক নাচাই। মনুষ্যক যেন জাল পাতিয়া ধৰস। তাত যিটো পৰে তাৰ বিষ্ঠাক খাৱস। হেন জানি মই তোক খেদো দুৰ কৰি। চন্দ্ৰ সূৰ্য্য বায়ু বৰুণ ইন্দ্ৰ ত্ৰিদশ কোটি দেৱতা যদি ব্ৰহ্মা সিদ্ধ গুৰুৰ বাক্যক মানস। খেদিয়া পেলাওঁ তই এৰিয়া মহাদেৱৰ বচন গুৰুৰ বাক্য। খেদিলো লোক দূৰহৈ থাক গুৰুৰ বচন নমানিবি যদি মহাদেউৰ মাথা কামোৰস ৰোগীয়াৰ তই গাৱৰ অন্তৰি। জাৰিলো ৰিষমানে মই পূৰ্ব্বাপৰ হৰ বিষ হৰ। আমুকাৰ গাৰঁৰ বিষ পানী কৃত্য হৈ পৰ। নাৰী খাইতী বাটোৱালীক খেদিয়া পেলাইলো। কঙ্কাল খাইতীক খেদিবাক সাজু ভৈলা। কঙ্কাল চাৰি জোৰাৰ মাজত। কঙ্কাল খাইতী বাটোৱালী ভৈল বাঁস তৈত। কঙ্কালৰ বিষ দিনে দিনে বাঢ়ি যায়। ভাঙ্গিলে কঙ্কাল তাইৰ অস্থিমাংস খাই। লোকৰ কঙ্কাল কুন্ধচ কৰধৰি, গুৰুৰ বচনে খেদো তোক দূৰ কৰি।

তাই বোলে গুৰুবাক্য আমি আছো শুনি। এৰি যাওঁ মই আৰ বিষ হৌক পানী। ছাড় বাটোৱালী ছাড় দুৰাচাৰী, এৰি যা আমুকাক মোৰ আজ্ঞা মানি, বাৰভনী বাটোৱালী আৰে যাস এৰি। আমুকাৰ অঙ্গক পলাস অন্তৰি। এহি শুনি বাৰভনী এৰি গুছি গৈলা। কঙ্কাল খাইতীৰ বিষ পানীকৃত্য ভৈলা। হৰ বিষ হৰ। আমুকাৰ গাৱৰ বিষ পানীকৃত্য হৈ পৰ। ব্ৰহ্মাৰ মানসা জী। যা যা বাটোৱালী খেদিয়া পেলাওঁ মই, গুৰুৰ বাক্যৰাথি। ছাড় ছাড় ছাড়ি যা আমুকাৰ গাৱ। কঙ্কাল খাইতী বাটোৱালীক খেদি থৈলো। ভৰি খাইতী বাটোৱালীক খেদিবাক গৈলো আমুকাক অঙ্গ এৰি গুছি সা। ভৰি খাইতী বাটোৱালী দুৰ হৈ থাক। তোক ধৰি বান্ধি থওঁ বন্দী কৰি। নতু হাত ভৰি ভাঙি থওঁ দূৰ কৰি। অনেক লোকৰ তই চিন্তি আছ মাৰ। তোত পৰে দুৰাচাৰী কোনো নাই আৰ। ভেঙুৰা কৰস তই হাত্ত ভৰি খাই। তোক খেদি পেলাওঁ দেখ সতকাই। এৰ এৰ পাপীষ্ঠী দুই হাত ভৰি। ব্ৰহ্মাৰ বাক্যত তই শীঘ্ৰে যাস এৰি। হাত ভৰি ভাঙি লোকক কুবেশ কৰস। তই বোল মই সতী। জাতিকুল ৰাচস খেদো বাটোৱালী ৰোগী এৰি যাস। যাস দুৰাচাৰী তই দ্বীপ দ্বীপান্তৰ। নুশুনো কহিতো যেন নামক তোহোৰ। ৰোগী ঘৰবাৰী এৰি নাযাইবি।

যেবে। ব্ৰহ্মাৰ নাগ পাশে বন্দী হইবি তেবে। নাক কাণ কাটি তোক কৰিবো লণ্ডভণ্ড। ব্ৰহ্মাস্ত্ৰ হানিয়া কৰিবো খণ্ড খণ্ড। দেৱগণে আসিতোৰ দেখিবে বিলাই। নাক কাণ কটা-হেতু লাজ দিয়ে তাই। গুৰু বোলে কুলক্ষণী তই শুন কথা। এবি যাওঁ বোগা তই মোক কৰি বেথা। বাটোৱালী বোলে এবি গুছি যাওঁ বাপৰ আগত মই দুখক জনাওঁ। হেন শুনি গুৰুৰাজ মনে ৰঙ্গ ভৈলা। বাৰজনী বাটোৱালী এৰি গুছি গৈলা। হিয়াত গুৰুৰ চৰণ ধৰি। বাৰজনী বাটোৱালী খেদো দূৰ কৰি। গুৰুৰ ৰঙ্গ ভৈলা। যম ৰাজাৰ ভৈল ৰঙ্গ। খেদিলোহো বাটোৱালী মন্ত্ৰেৰে কৰি ভঙ্গ। হুং হুঙ্কাৰ ব্ৰহ্মাৰ হুঙ্কাৰ। নাহিবি আমুকাৰ ঘৰবাৰী সীমাৰ সঞ্চাৰ। এই বাক্য লৰ চৰ। ব্ৰহ্মাৰ চক্ৰত পৰি মৰ। মোৰ হাক গুৰুৰ ডাক। খেদিলো বাৰভনী বিষালী দূৰ হৈ থাক। খোলা খোলা সাত খোলা। তুমি মা চণ্ডীৰ পোলা। আহোতে কাটো যাওঁতে কাটো। আমুকাৰ গাৱৰ বিষ নাশ কৰো বাঢ়ে খাই সাপৰ বিষ নাই আৰ। লাগ লাগ আজ্ঞা লাগ দোহাই সিদ্ধ গুৰু দোহাই সিদ্ধ গুৰু বিষ নাই আৰ। হৰ বিষ হৰ, আমুকাৰ গাৱৰ বিষ পানীকৃত্য হৈ পৰ॥

অন্ত।

# মন্ত্ৰ পুথিবোৰৰ তালিকা ।

| | | | |
|---|---|---|---|
| ১। বৃহৎ বৈদ্যসাৰ ধনন্তৰী নিদান | ১৲ | ৯। সৰ্ব্ব ব্যাধিৰ মূলমন্ত্ৰ | ৵০ |
| ২। বৰ বেজালী | ।৷০ | ১০। গুভোটা ও কবতি | ৷০ |
| ৩। বাৰভনী বিষানী | ।৷০ | ১১। বৰ কবতি মন্ত্ৰ ১২ খণ্ড | ৸০ |
| ৪। নৰসিংহ মন্ত্ৰ | ।০ | ১২। কামৰূপ মন্ত্ৰ | ১৷৵০ |
| ৫। বিলাহী বেজিনী | ।৵০ | | |

## নতুন ছপা হোৱা শাস্ত্ৰবোৰ

| | | | |
|---|---|---|---|
| ৬। চাপনি মন্ত্ৰ | ।০ | ১। বিশুদ্ধ নতুন ছপা কীৰ্ত্তন ঘোষা পকাবন্ধা মূল্য | ৭৲ |
| ৭। পক্ষীৰাজ মন্ত্ৰ | ।৵০ | | |
| ৮। উৰাচ মন্ত্ৰ | ।৵০ | ২। শ্ৰীমদ্ভাগৱত পকাবন্ধা দশমস্কন্ধ মূল্য | ৫৲ |

## পোৱাল ভাই-ভট্টাচাৰ্য্য এজেঞ্চী

পোঃ আঃ ৰিহাবাৰী, ডিব্ৰুগড় ( অসম )

COLLEGE LIBRARY Accession No. 7796